Regional News Unit
All India Radio, Guwahati
0000000000

Date : 04-09-2024 Time : 0900 Hrs.

## ***Assamese Morning Bulletin***

## **HeadlineS**

১। ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত এতিয়াৰে পৰা ২০ আগষ্টৰ দিনটো চতিয়া দিৱস হিচাপে পালন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। তিনিদিনীয়া ভ্ৰমণসূচীৰে ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ব্ৰুনেইৰ চুলতান হাজি হছনল বোল্কিয়াৰ সৈতে আলোচনা।

৩। মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত লখিমপুৰত আজি ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক।

৪। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে আজি পুৱাৰে নাম-প্ৰসংগৰে মুখৰ ৰাজ্যৰ সত্ৰ-নামঘৰ।

*আৰু*

৫। পেৰিছ পেৰালিম্পিকত কালি ষষ্ঠ দিনা পাঁচটা পদক জয়েৰে ভাৰতৰ পদকৰ সংখ্যা ২০ লৈ বৃদ্ধি।

০০০০০০০

ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত এতিয়াৰে পৰা চৰকাৰীভাৱে প্ৰতি বছৰে ২০ আগষ্টত চতিয়া দিৱস পালন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। তদুপৰি চতিয়া থানাক ঐতিহ্যক্ষেত্ৰ আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে ৫ কোটি টকা আগবঢ়োৱাৰ কথাও তেওঁ সদৰী কৰিছে। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ৫ খন জিলালৈ যোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে কালি প্ৰথম কাৰ্যসূচী হিচাপে ভাৰত ত্যাগ আন্দোলনৰ অনন্য স্মৃতি বহন কৰা ঐতিহাসিক চতিয়া থানা পৰিদৰ্শন কৰি এই কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ২০ আগষ্টৰ দিনটো চতিয়া দিৱস হিচাপে পালন কৰাৰ পৰম্পৰা ১৯২০ চনৰ পৰা আৰম্ভ হৈছে যদিও এতিয়াৰে পৰা চতিয়াৰ ৰাইজৰ সহযোগত আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত চৰকাৰীভাৱে এই দিৱস পালন কৰা হ'ব। চতিয়া থানা সংৰক্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ লোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে, ১৯৪২ চনৰ ২০ আগষ্টত যিসকল ব্যক্তিৰ প্ৰচেষ্টাত পতাকা উত্তোলনৰ কাম সম্ভৱ হৈ উঠিছিল সেই মহান স্বাধীনতা যুঁজাৰুসকলৰ প্ৰতিমূৰ্তিৰ লগতে এখন বৃহৎ উদ্যান নিৰ্মাণ হৈ উঠিলে থানাখনক কেন্দ্ৰ কৰি সমগ্ৰ পৰিসৰটো এখন ঐতিহ্য ক্ষেত্ৰ আৰু পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰ হ'ব। ইয়াৰ বাবে স্থানীয় বিধায়ক পদ্ম হাজৰিকাক পৰিকল্পনা প্ৰস্তুত কৰিবলৈ তেওঁ আহ্বান জনায়। এই প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে প্ৰথম অৱস্থাত ৫ কোটি টকা আগবঢ়াব আৰু প্ৰয়োজনত অধিক পুঁজি যোগান ধৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰুনেইৰ চুলতান হাজি হছনল বোল্কিয়াৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাৰ মাজৰ এই আলোচনাত দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰ অন্বেষণৰ বিষয়টো

সামৰি লোৱাৰ সম্ভাৱনা আছে। শ্ৰীমোদী ব্ৰুনেই আৰু ছিংগাপুৰৰ দ্বিদেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত কালি বন্দৰ চেৰী বেগৱানত উপস্থিত হয়। চহৰখনত উপস্থিত হোৱাৰ সময়ত দেশখনৰ যুৱৰাজ তথা প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ জ্যেষ্ঠ মন্ত্ৰী হাজি অল-মুহতাদি বিল্লাহে প্ৰধানমন্ত্ৰীক আনুষ্ঠানিকভাৱে আদৰণি জনায়। শ্ৰীমোদী দ্বিপাক্ষিক ভ্ৰমণসূচীৰে ব্ৰুনেইলৈ যোৱা প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। তেওঁ ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ বছৰীয়া বাৰ্ষিকী উপলক্ষে দেশখনলৈ  গৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কালি বন্দৰ চেৰী বেগৱানত থকা ভাৰতীয় উচ্চায়োগৰ নতুন খণ্ডপীঠ মুকলি কৰে। তেওঁ লগতে অ'মৰ আলী চেইফউদ্দিন মছজিদো পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰী মোদী তেওঁৰ যাত্ৰাৰ দ্বিতীয় পৰ্যায়ত আজি ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ আমন্ত্ৰণ মৰ্মে দেশখনলৈ বুলি ৰাওনা হ'ব। ভ্ৰমণকালত নেতা দুগৰাকীয়ে ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা চলাব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত-বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদী প্ৰায় ৬ বছৰৰ মূৰত ছিংগাপুৰলৈ যাব। ভাৰত আৰু ছিংগাপুৰৰ মাজত শক্তিশালী প্ৰতিৰক্ষা সহযোগিতা আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান আঁচনিৰ অধীনত ৰাজ্যৰ ৩১খন উচ্চ শিক্ষানুষ্ঠানলৈ মুঠ ২২৯ কোটি ৯ লাখ ৫৫ হাজাৰ টকাৰ পুঁজি আবণ্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই অনুসৰি কাইলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই আঁচনিৰ অধীনত বহুমুখী শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয়ৰ অধীনত ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ ১০০ কোটি টকা আবণ্টন দিয়া হ'ব। ইফালে, লিংগ সমতা আৰু অন্তৰ্ভুক্তি পদক্ষেপৰ উপাদানৰ অধীনত উচ্চ শিক্ষানুষ্ঠানসমূহৰ বাবে জিলাভিত্তিক মুঠ ২০ কোটি টকা আবণ্টন দিয়া হ'ব। সেই অনুসৰি বাক্সা জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়, বৰমা মহাবিদ্যালয়, বি বি কিষাণ মহাবিদ্যালয়লৈ ৩ কোটি টকাকৈ, জ্ঞানপীঠ ডিগ্ৰী মহাবিদ্যালয়লৈ ৯৬ লাখ ৪০ হাজাৰ টকা আৰু শালবাৰী মহাবিদ্যালয়লৈ ৩ লাখ ৬০ হাজাৰ টকা আবণ্টন দিয়া হ'ব। আনহাতে, কাছাৰ জিলাৰ জনতা মহাবিদ্যালয় কাছাৰলৈ ৪ কোটি টকা, গুৰুচৰণ মহাবিদ্যালয়লৈ ৩ কোটি, পশ্চিম শিলচৰ মহাবিদ্যালয়লৈ ১ কোটি ৫০ লাখ, কাছাৰ মহাবিদ্যালয়লৈ ২৫ লাখ, চৰকাৰী আদৰ্শ মহাবিদ্যালয় বৰখলালৈ ৪০ লাখ, জে এন সিং মহাবিদ্যালয়লৈ ২০ লাখ, এম চি দাস মহাবিদ্যালয়লৈ ৫ লাখ আৰু শিলচৰ মহাবিদ্যালয় আৰু কন্যা মহাবিদ্যালয়লৈ ৩০ লাখ টকাকৈ আবণ্টন দিয়া হ'ব। ইফালে, মহাবিদ্যালয় সৱলীকৰণ অনুদানৰ সহায়ত ১৪খন প্ৰাদেশিকীকৃত মহাবিদ্যালয়ত মুঠ ৬৯ কোটি ৯ লাখ ৫৫ হাজাৰ টকা পুঁজি আবণ্টন দিয়া হ'ব। সেই অনুসৰি শ্ৰীমন্ত শংকৰ-মাধৱ মহাবিদ্যালয়, কে চি দাস বাণিজ্য মহাবিদ্যালয়, মঙলদৈ মহাবিদ্যালয়, কন্যা মহাবিদ্যালয়, আৰ কে নগৰ মহাবিদ্যালয়, সাপেখাতী মহাবিদ্যালয়, এছ কে ৰয় মহাবিদ্যালয়, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়, বৰপথাৰ মহাবিদ্যালয়, ধেমাজি ছোৱালী মহাবিদ্যালয়, লক্ষীপুৰ মহাবিদ্যালয়, মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয় আৰু থং নকবে মহাবিদ্যালয়লৈ ৫ কোটি টকাকৈ আৰু বামুন্দী মহাবিদ্যালয়লৈ ৪ কোটি ৯ লাখ ৫৫ হাজাৰ টকা আবণ্টন দিয়া হ'ব। ইয়াৰ উপৰি বিশ্ববিদ্যালয় সবলীকৰণ অনুদানৰ সহায়ত কটন বিশ্ববিদ্যালয় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়লৈ ২০ কোটি টকাকৈ পুঁজিৰ আবণ্টন দিয়া হ'ব। কাইলৈৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৬ সংখ্যক তিৰোভাৱ তিথি আজি ৰাজ্যজুৰি পালন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ প্ৰতিটো সত্ৰ-নামঘৰত পুৱাৰে পৰা নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে। সত্ৰনগৰী বৰপেটাত পুৱাৰে পৰা কীৰ্তন মহোৎসৱৰ আয়োজন কৰা হৈছে। পুৱা গীত আৰু ভটিমাৰ অন্তত সত্ৰৰ মুখ্য পাঠকৰ নেতৃত্বত নৃত্য-প্ৰসঙ্গ অনুষ্ঠিত

হোৱাৰ পাছতে ভাগৱত পাঠ, ঘোষা কীৰ্তন আৰু ব্যাহ কীৰ্তন অনুষ্ঠিত হ'ব। বিয়লি বৰপেটাৰ বৃন্দাবন হাটীৰ ভকতসকলে কীৰ্তন মহোৎসৱ উপলক্ষে কৰভাৰ প্ৰদান কৰিব। এই কৰভাৰত ভকতসকলে হাটীৰ প্ৰথা অনুসৰি চাউল, কাচকল, কোঁমোৰা, মিঠাতেল, পাণ-তামোল আদি প্ৰদান কৰিব। ইফালে, কোচবিহাৰৰ মধুপুৰ সত্ৰতো আজি দিনজোৰা কাৰ্যসূচীৰ গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। ঐতিহাসিক ঢেকিয়াখোৱা বৰনামঘৰতো দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে শৰাই নৈবদ্য লৈ গুৰুজনাৰ ওচৰত সেৱা আগবঢ়ায়।

সত্ৰপীঠ মাজুলীতো গুৰুজনাৰ তিৰোভাৱ তিথি উলহ-মালহেৰে পালন কৰা পৰিলক্ষিত হৈছে। মাজুলীৰ সত্ৰ আৰু নামঘৰসমূহ সজাই-পৰাই পুৱাৰে পৰাই নাম-প্ৰসংগৰে মুখৰ হৈ পৰিছে। মাজুলীৰ ৩৫খন সত্ৰ আৰু তিনি শতাধিক নামঘৰত গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ ধবনিৰে মুখৰ হৈ পৰিছে বুলি আমাৰ স্থানীয় সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্যৰ উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত কাইলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত ৬৩ সংখ্যক শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মনোনীত কৃতি শিক্ষাগুৰুসকললৈ ৰাজ্যিক বঁটা প্ৰদান কৰাৰ লগতে নাকৰ মূল্যায়নত খ++ আৰু খ+ তথা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বায়ত্ত শাসিত মৰ্যদা লাভ কৰা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ লগতে পেটেণ্ট লাভ কৰা মহাবিদ্যালয়সমূহৰ শিক্ষকসকললৈ সম্বৰ্দ্ধনা জ্ঞাপন কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০

ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে দ্বিতীয় পৰ্যায়ৰ অভিনন্দন শিক্ষা ঋণ ৰাজসাহায্য নামৰ অভিলাষী আঁচনি এখনৰ ঘোষণা কৰিছে। শিক্ষা ঋণৰ ক্ষেত্ৰত ৫০ হাজাৰ টকা পৰ্যন্ত ৰাজসাহায্য প্ৰদানেৰে শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱকসকলৰ বিত্তীয় বোজা লাঘৱ কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা এই আঁচনিখনৰ পোৰ্টেলটো কাইলৈৰ পৰা ২০ অক্টোবৰলৈ ৪৫ দিনৰ বাবে খোলা থাকিব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে অসমৰ লগতে আন ঠাইতো উচ্চ শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীৰ লগতে বৰ্তমানৰ সাংসদ, বিধায়ক, পঞ্চায়তৰ কৰ্মকৰ্তা আৰু চৰকাৰী বা চৰকাৰী ৰাজহুৱা খণ্ডৰ স্থায়ী কৰ্মচাৰীসকলৰ সন্তানেও এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। ইয়াৰ লগতে আঁচনিখনৰ সুবিধা গ্ৰহণ কৰা শিক্ষাৰ্থীগৰাকী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে মাত্ৰ এবাৰৰ বাবেহে এই সুবিধা লাভ কৰিব বুলি উল্লেখ কৰিছে। উল্লেখযোগ্য যে বিবেচিত হোৱা শিক্ষাৰ্থীসকলে আৱাসিক প্ৰমাণ-পত্ৰ, পৰিচয় পত্ৰ, ঠিকনাৰ প্ৰমাণ-পত্ৰ, বেংক ঋণৰ নথিপত্ৰৰ লগতে অভিভাৱকৰ পৰিচয়ৰ প্ৰমাণ-পত্ৰ দি গতগশ.সশশসন.স্কহ.তপ-ৰ জৰিয়তে অথবা ১৮০০-২০২৬-২৫৬ নম্বৰ যোগাযোগ কৰি অভিনন্দন আঁচনিত আবেদন কৰিব পাৰিব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, ত্ৰিপুৰা চৰকাৰ আৰু নেচনেল লিবাৰেশ্বন ফ্ৰণ্ট অৱ ত্ৰিপুৰা- এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ- এ টি টি এফৰ প্ৰতিনিধিসকলৰ মাজত এখন

চুক্তি স্বাক্ষৰিত হ'ব। চুক্তি সম্পাদনৰ সময়ত ত্রিপুৰাৰ মুখ্যমন্ত্রী মানিক সাহা আৰু গৃহ মন্ত্রালয় তথা ত্রিপুৰা চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

গৃহ মন্ত্রালয়ে প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ উগ্রবাদ, হিংসা আৰু সংঘৰ্ষমুক্ত উন্নত উত্তৰ-পূৰ্বাঞ্চল গঢ়াৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ উদ্দেশ্যে অক্লান্তভাৱে কাম কৰি আহিছে। কেন্দ্রীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চললৈ শান্তি আৰু সম্প্রীতি অনাৰ বাবে ইতিমধ্যে ১২ খন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত ত্রিপুৰা সম্পৰ্কীয় ৩ খন চুক্তিও আছে। নৰেন্দ্র মোদী চৰকাৰৰ দ্বাৰা স্বাক্ষৰিত বিভিন্ন চুক্তিৰ বাবে প্রায় ১০ হাজাৰ উগ্রপন্থীয়ে অস্ত্র ত্যাগ কৰি মূল সুঁতিলৈ ঘুৰি আহিছে।

00000000

পশ্চিমবংগৰ সাহিত্য, নাটক আৰু চলচ্চিত্ৰ জগতৰ কেইবাগৰাকীও আগশাৰীৰ ব্যক্তিয়ে আৰ জি কৰ চিকিৎসালয়ৰ ঘটনাক লৈ ৰাজ্য চৰকাৰে প্রদান কৰা সন্মান ঘূৰাই দিয়াৰ কথা ঘোষণা কৰিছে। সন্মান ঘূৰাই দিয়া ব্যক্তিসকলৰ ভিতৰত অভিনেতা সুদীপ্ত চক্রৱৰ্ত্তী, নাট্যকৰ্মী বিপ্লৱ বঙ্গোপধ্যায় আৰু প্ৰসিদ্ধ অভিনেতা চন্দন সেন আছে।

সুদীপ্ত চক্রৱৰ্ত্তীয়ে তথ্য আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিবলৈ পত্র প্রেৰণ কৰি কৈছে যে, তেওঁ এই ঘটনাৰ প্রতিবাদকল্পে ২০১৩ চনৰ জুলাই মাহত মমতা বেনাৰ্জী চৰকাৰে প্রদান কৰা বিশেষ চলচ্চিত্র পুৰস্কাৰ ঘূৰাই দিয়াৰ সিদ্ধান্ত লৈছে। একেদৰে নাট্যকৰ্মী বিপ্লৱ বঙ্গোপধ্যায়ে কৈছে যে, তেওঁ চলিত বৰ্ষৰ আগভাগত পশ্চিমবংগ নাট্য একাডেমীয়ে প্রদান কৰা পুৰস্কাৰ ঘূৰাই দিব। অভিনেতা চন্দন সেনেও নাট্য একাডেমীয় প্রদান কৰা দীনবন্ধু মিত্র পুৰস্কাৰ ঘূৰাই দিয়াৰ কথা ঘোষণা কৰিছে।

0000000

পেৰিছ পেৰালিম্পিকত ভাৰতে কালি ৫টাকৈ পদক লাভ কৰে। এই পদক জয়েৰে ভাৰতে এতিয়ালৈকে লাভ কৰা মুঠ পদকৰ সংখ্যা ২০টালৈ বৃদ্ধি হ'ল। ইয়াৰে ৩টা সোণ, ৮টা ৰূপ আৰু ৯টা ব্ৰঞ্জৰ পদক।

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে পেৰালিম্পিকত পদক জয় কৰা ভাৰতীয় খেলুৱৈসকলক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে, এইসকল খেলুৱৈক লৈ ভাৰত আজি গৰ্বিত। কালি অনুষ্ঠিত মহিলাৰ ৪০০ মিটাৰ টি-২০ শাখাৰ দৌৰত দীপ্তি জীৱনজীয়ে ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে পুৰুষৰ টি 63 হাই জাম্প শাখাত শাৰদ কুমাৰে ৰূপ আৰু মৰিয়প্পান থাংগাভেলুৱে ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ জেভেলিন থ্ৰ'ৰ এফ ৪৬ শাখাত ভাৰতৰ অজিত সিঙে ৰূপ আৰু সুন্দৰ গুৰ্জাৰৰ ব্ৰঞ্জৰ পদক লাভ কৰে।

আজি খেলৰ সপ্তম দিনত ভাৰতীয় দলটোৱে আন কেইবাটাও প্রতিযোগিতাত পদক জয়ৰ লক্ষৰে অংশগ্ৰহণ কৰিব। ভাৰতীয় কেইবাগৰাকীও প্রতিযোগীয়ে আজি চাইক্লিঙেৰে অভিযান আৰম্ভ কৰিব। আনহাতে ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৩৫ মিনিটত পুৰুষৰ শ্বটপুটৰ এফ ৪৬ শাখাৰ ফাইনেল খেলখন আৰম্ভ হ'ব। ভাৰতৰ শচীন খিলাৰী, মহম্মদ য়াছাৰ আৰু ৰোহিত কুমাৰে এই শাখাত পদক জয়ৰ বাবে চেষ্টা চলাব। ভাৰোত্তোলনত পৰমজীত কুমাৰে পুৰুষৰ ৪৯ কেজি শাখাৰ ফাইনেলত অংশগ্ৰহণ

কৰিব। **শুটিঙত নিহাল সিং, ৰুদ্ৰাংশ খাণ্ডেলৱালে মিক্সড ৫০ মিটাৰ পিষ্টল এছ এইচ ১ শাখাত অংশগ্ৰহণ কৰিব। আৰ্চাৰীত হৰবিন্দৰ সিঙে টাইপেইৰ চেং লুং-হুইৰ মুখামুখি হ'ব।**

00000000

কাছাৰ জিলাৰ জিৰিঘাট কদমতলা নিৱাসী ধৰ্মপ্ৰাণ মহিলা সুপ্ৰীতি নন্দীৰ যোৱানিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ।

0000000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ ভিতৰত ৰাজ্যত চাইবাৰ অপৰাধীৰ বৃহৎ জাল শিৰোনামেৰে **দৈনিক অসম** কাকতে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। এই বাতৰিকে **আমাৰ অসম** কাকতে সপোনৰ সদাগৰ আৰক্ষীৰ জালত আৰু **নিয়মীয়া বাৰ্তা** কাকতে মুখ্যমন্ত্ৰীৰ ট্ৰেডিং এপত ধন বিনিয়োগ নকৰিব বুলি কৰা মন্তব্য মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে এই বাতৰিটোকে হেজাৰ কোটিৰ অনলাইন ট্ৰেডিং কেলেংকাৰি শিৰোনামেৰে, ক'লা ধন বগা কৰাৰ কৌশল অবৈধ ট্ৰেডিং শিৰোনামেৰে **দৈনিক অগ্ৰদূত কাকতে** আৰু হাজাৰ কোটি লুণ্ঠনৰ বৃহৎ চক্ৰ উৎখাত শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাছনিত উঠিও নিযুক্তি নাপালে ৫ হাজাৰ ৭৯১ ঠিকা শিক্ষকে শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। **দ্য ছেণ্টিনেল** কাকতে ব্ৰুনেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত-বিনিময় কৰা বাতৰিটো PM Modi's endearing interaction with children in Brunei wins hearts শিৰোনামেৰে আৰু **দি আছাম ট্ৰিবিউন** কাকতে West Bengal Assembly Passes Anti–rape Bill শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বিজেপিৰ সদস্য-ভৰ্তি অভিযান কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ ভেটি শক্তিশালী হোৱা বাবে ২০০ বছৰলৈও পৰিয়ালকেন্দ্ৰিক নহয় বুলি কৰা মন্তব্যক ভিন ভিন শিৰোনামেৰে প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাকতসমূহে লখিমপুৰত অনুষ্ঠিত হ'বলগীয়া কেবিনেট বৈঠকৰ বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। ভূৰাগাঁও-কৌপাটিক সংযোগ কৰি ব্ৰহ্মপুত্ৰত নতুন দলং নিৰ্মাণ হোৱাৰ লগতে অসমৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৮ হাজাৰ ৫৫ কোটি টকা ধাৰ্য কৰা বাতৰিক প্ৰথম পৃষ্ঠাত দৈনিক কাকতসমূহে স্থান দিছে। বি পি এফ আৰু ইউ পি পি এল একত্ৰীকৰণ হোৱাৰ দিশে, প্ৰথম ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে ব্ৰুনেইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, আজি গুৰুজনাৰ তিৰোভাৱ তিথি পালন আদি বাতৰি কাকতসমূহে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

00000000

**সমাপ্ত**